# Foreign Secretary's Conference Call with counterparts from Indo-Pacific Countries

March 20, 2020

---

# ইণ্ডো–পেচিফিক দেশসমূহৰ সমকক্ষসকলৰ সৈতে বৈদেশিক সচিবৰ কনফাৰেন্স কল

মাৰ্চ 20, 2020

২০ মাৰ্চ, ২০২০ তাৰিখে আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ–সচিব ষ্টিফেন বিগানৰ দ্বাৰা ইণ্ডো–পেচিফিক ক্ষেত্ৰৰ কিছু দেশৰ মাগত ক'ভিড–১৯ ৰোগ সম্পৰ্কীয় সমস্যাৰ বিষয়ে আলোচনা কৰিবলৈ সূত্ৰপাত কৰা দূৰভাষিক কনফাৰেন্স কলত ভাৰতৰ বৈদেশিক সচিব শ্ৰী হৰ্ষবৰ্ধন শ্ৰীংলাই অংশগ্ৰহণ কৰে। এই দূৰভাষিক কনফাৰেন্সত অষ্ট্ৰেলিয়া, কোৰিয়া, ভিয়েটনাম, নিউজিলেণ্ড আৰু জাপানৰ জ্যেষ্ঠ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিছিল।

অংশগ্ৰহণকাৰীসকলে ক'ভিড-১৯ ৰোগৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত তেওঁলোকৰ মূল্যায়নণসমূহ জনায় আৰু দেশসমূহত এই ৰোগৰ সংক্ৰমণ ৰোধ কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰে।

বৈদেশিক সচিন শ্ৰীংলাই অংশগ্ৰহণকাৰীসকলক ভাৰতে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত ৰাষ্ট্ৰীয়ভাৱে আৰু আঞ্চলিকভাৱে গ্ৰহণ কৰা বিভিন্ন সক্ৰিয় পদক্ষেপৰ বিষয়ে জনাই। ভাৰতৰ চুবুৰীয়া দেশসমূহৰ সৈতে নিজৰ যোজনা আৰু পদক্ষেপসমূহ নিয়মীয়াকৈ জনোৱা আৰু এই প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ একতাৰে কাম কৰাৰ প্ৰতি থকা আকাংক্ষাৰ কথাও তেওঁ ব্যক্ত কৰে। অংশগ্ৰহণকাৰীসকলে এই কনফাৰেন্স কল সাপ্তাহিক ভিত্তিত বজাই ৰাখিব বুলি আশা কৰা হৈছে য'ত বিভিন্ন বিষয় যেনে প্ৰতিষেধক প্ৰস্তুতিত সহযোগিতা, অসহায় নাগৰিকৰ ক্ষেত্ৰত সন্মুখীন হোৱা প্ৰত্যাহ্বান, দেশসমূহক প্ৰয়োজনৰ সময়ত সহায় আগবঢ়োৱা আৰু বিশ্বজনীন অৰ্থনীতিৰ ফল একলগে সমাধান কৰা আদিৰ ওপৰত আলোচনা কৰা হ'ব।

**নতুন দিল্লী**
**মাৰ্চ** 20, 2020

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.